# গায়ত্ৰী ফুকনৰ কবিতা

Issue: Vol. IV, No. 4, February-April, 2026

**ঘৰ**

পথৰ দাঁতিত
বিষণ্ণ
তিৰোতাজনীৰ দৰে
ৰৈ থাকে একালৰ ধুনীয়া
ঘৰটো।

বেৰত আঁউজি ৰৈ থাকে
জালিকটা
মৰম আকলুৱা দুৱাৰ।
আউল বাউল
চুলিটাৰি যেন
অযত্ন পালিত
ফুলৰ বাগিচা।

একালত
গৰাকীয়ে
চুমা দিছিল
আলফুলে।
তথাপিও
মিচিকিয়াই হাঁহে
এপাহি দুপাহি ফুলে।
হাত ভগা
ঝুলনাখনত
উমলি থাকে
সোণালী অতীত।
ঘৰ অধীন
মন গ'লেই সাজে
মন গ'লেই ভাঙে।
ঘৰ শূন্য
আজীৱন কোনো সংগী নহয়
ঘৰৰ।